# স্পষ্টীকৰণ

যোৱা ইং ০৬-০৮-২০১৫ তাৰিখে “এদিনৰ সংবাদ’ কাকতত প্ৰকাশিত “গুৱাহাটী আৰক্ষী আয়ুক্ত কাৰ্য্যালয়ত ছিণ্ডিকেটৰাজ” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত স্পষ্ট কৰি দিয়া হৈছে যে, আৰক্ষী আয়ুক্তৰ কাৰ্য্যালয়ৰ দৈনন্দিন যাৱতীয় সামগ্ৰী নিবিদা গ্ৰহণ কৰি স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰা হয়। এই সম্পৰ্কত যোৱা ১১-০৭-২০১৪ তাৰিখে নিবিদা গ্ৰহণ আৰু সিদ্ধান্ত সাপেক্ষে অনুমোদিত প্ৰতিষ্ঠানক সামগ্ৰী যোগান ধৰিবলৈ অনুমতি প্ৰদান কৰা হয়। বাতৰিটোত অভিযোগ কৰা মতে সামগ্ৰী ক্ৰয় সংক্ৰান্তত কোনোধৰণৰ ‘ছিণ্ডিকেট’ আৰক্ষী আয়ুক্ত কাৰ্য্যালয়ত গঢ়ি উঠা নাই আৰু ‘কমিছন’ লোৱাৰ তথ্য তথা অভিযোগো এই কাৰ্য্যালয়ত নাই। এই অভিযোগ নিতান্তই ভিত্তিহীন আৰু উদ্দেশ্যপ্ৰণোদিত। সামগ্ৰী যোগানৰ ক্ষেত্ৰত কোনোধৰণৰ আসোঁৱাহ থাকিলে নিশ্চিতভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ’ব। বাতৰিটোৰ সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (প্ৰশাসন)ক অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে।

Sd/- 7/8/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৬-০৮-২০১৫ তাৰিখে “অসমীয়া প্ৰতিদিন’ কাকতত প্ৰকাশিত “ছুম’ চালকক আৰক্ষীৰ ধন দাবী ঃ দিছপুৰত উত্তেজনা ” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটোত উল্লেখিত অভিযোগ সম্পূৰ্ণ ভিত্তিহীন।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত কোৱা হৈছে যে, ডাউন টাউন হস্পিতালৰ ওচৰত জি এছ ৰোডত এখন ‘ছুম’ গাড়ী ‘ন’পাৰ্কিং এলেকা’ত ৰখোৱাৰ বাবে যান-বাহন আৰক্ষীয়ে গাড়ীখন স্থানান্তৰ কৰিবলৈ চালকক নিৰ্দেশ দিয়ে আৰু সেই সময়তে গাড়ীখনৰ খুন্দাত এজন গৃহৰক্ষী জোৱান আহত হয়। বাতৰিটোৰ সন্দৰ্ভত অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ উপ-আৰক্ষী আয়ুক্ত (যান-বাহন শাখা)ক নিৰ্দেশ দিয়া হৈছে।

7/8/15

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৩-০৮-২০১৫ তাৰিখে “দৈনিক অগ্রদূত’ কাকতত প্রকাশিত “নিষ্ক্রীয় আৰক্ষী ঃ অপৰাধীৰ ৰম্যভূমিত পৰিণত ধনশিৰী” শীৰ্ষক বাতৰিটো গোলাঘাট আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষক গৰাকীয়ে স্পষ্ট কৰি দিয়ে যে, যোৰহাট জিলাৰ পুলিবৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই গোলাঘাট জিলাৰ সৰুপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক যোৰহাটৰ পৰা অপহৰণ হোৱা চাৰিজন যুৱকক সুৰুপথাৰ থানাৰ অন্তৰ্গত ১নং পদুমণি গাঁৱত লুকুৱাই ৰখা হৈছে বুলি খবৰ দিয়ে। এই খবৰৰ ভিত্তিত সৰুপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই পদুমণি গাঁৱত অভিযান চলাই পিছকিলা হাও নামৰ এগৰাকী মহিলাৰ ঘৰৰ পৰা অপহৃত হোৱা চাৰিওজনকে ক্ৰমে- মইদুল হুছেইন, বিকাশ ডেকা, ৰাজু যাদব আৰু পিংকু কায়স্থক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই অভিযানত এগৰাকী অভিযুক্ত পিছকিলা হাও পলায়ন কৰিবলৈ সক্ষম হয় যদিও আন এজন মুখ্য অভিযুক্ত বিজু দেউৰীক সুৰপথাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰু অভিযুক্তজনক পুলিবৰ থানাত গতাই দিয়ে। এই সংক্ৰান্তত পুলিবৰ থানাই ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ u/s 370 ধাৰাত 177/15 নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি ইতিমধ্যেই গ্ৰেপ্তাৰ হোৱা অভিযুক্তজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষীয়ে জিলাখনৰ সকলো স্থানতে দৈনিক তহল দি থকাৰ উপৰিও সকলোধৰণৰ অ-সামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিছে।

[signature] 7/8/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৬-০৮-২০১৫ তাৰিখে "নিয়মীয়া বাৰ্তা' কাকতত প্ৰকাশিত "নৈশ বাছৰ ক্ষতিসাধন, আহত যাত্ৰী" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটো সম্পূৰ্ণ ভিত্তিহীন ।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত কোৱা হৈছে যে, প্ৰকৃতাৰ্থত, খানাৰপাৰাস্থিত উৰণীয়া সেতুঁৰ সন্মুখত যান-জঁটৰ সৃষ্টি কৰি 'ঋষি' নামৰ নৈশ বাছখন অবৈধভাৱে ৰখাই থোৱা প্ৰত্যক্ষ কৰি যান-বাহন শাখাৰ আৰক্ষীয়ে সেই স্থানৰ পৰা বাছখন অনতিপলমে স্থানান্তৰ কৰিবলৈ চালকক নিৰ্দেশ দিয়ে। চালকে আৰক্ষীৰ নিৰ্দেশ অমান্য কৰাত পুনৰবাৰ চালকক গাড়ীখন সেই স্থানৰ পৰা আতঁৰাবলৈ কোৱা হয়। কিন্তু, এই নিৰ্দেশো অমান্য কৰি গাড়ীচালকজনে আৰক্ষীৰ লগত অযথা তৰ্ক-বিতৰ্কতহে লিপ্ত হয়। বাতৰিটোত অভিযোগ কৰা মতে আৰক্ষীয়ে কোনোধৰণৰ লাঠীচালনা কৰা নাই আৰু কোনো যাত্ৰীও হতাহত হোৱাৰ তথ্য নাই। এই সংক্ৰান্তত এতিয়ালৈকে কোনো এজাহাৰ আৰক্ষীক কোনেও দাখিল কৰা নাই। বাছৰ চালকৰ এনে কাৰ্য্যৰ বাবে যান-বাহন শাখাৰ পৰা ইতিমধ্যে এটি 'গোচৰ' ৰুজু কৰাৰো ব্যৱস্থা কৰা হৈছে। বাতৰিটোৰ সন্দৰ্ভত অনুসন্ধান কৰি এখন প্ৰতিবেদন দাখিল কৰিবলৈ উপ-আৰক্ষী আয়ুক্ত (যান-বাহন)শাখাক নিৰ্দেশ দিয়া হৈছে।

9/8/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী